**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 26-08 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। কেন্দ্ৰীয় কেবিনেটে চৰকাৰী কৰ্মচাৰীসকলক নিশ্চিত পেঞ্চন প্ৰদানৰ উদ্দেশ্যে নতুন পেঞ্চন আঁচনি, একীকৃত পেঞ্চন আঁচনি চমুকৈ ইউ পি এছত অনুমোদন জনাইছে।

২। জম্মু কাশ্মীৰৰ আসন্ন নিৰ্বাচনৰ প্ৰাৰ্থীসকলৰ নাম চূড়ান্ত কৰাৰ বাবে কালি নতুন দিল্লীত বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচনী সমিতিৰ বৈঠক অনুষ্ঠিত হয়।

৩। সমগ্ৰ দেশতে আজি প্ৰভু শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালন কৰা হৈছে। এই উপলক্ষে ভক্তপ্ৰাণ ৰাইজে মন্দিৰত গৈ পূজা-অৰ্চনা কৰিছে।

৪। বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মূৰব্বী প্ৰফেচাৰ মহম্মদ ইউনুছে কৈছে যে, সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বিষয়টো হৈছে এটা ৰাজনৈতিক সিদ্ধান্ত আৰু এই অন্তৰ্বৰ্তীকালীন চৰকাৰখন কিমান দিনলৈ শাসনত থাকিব সেয়া বাংলাদেশৰ জনসাধাৰণে নিৰ্ধাৰণ কৰিব। **আৰু**

৫। অহা ২৮ আগষ্টৰ পৰা হ'বলগীয়া ২০২৪ চনৰ পেৰিছ পেৰা অলিম্পিকত দেশৰ ৮৪ জনীয়া বৃহৎ খেলুৱৈ দলে ভাগ ল'ব।

ooooo

কেন্দ্ৰীয় কেবিনেটে চৰকাৰী কৰ্মচাৰীসকলক নিশ্চিত পেঞ্চন প্ৰদানৰ উদ্দেশ্যে নতুন পেঞ্চন আঁচনি, একীকৃত পেঞ্চন আঁচনি চমুকৈ ইউ পি এছত অনুমোদন জনাইছে। কেবিনেট বৈঠকৰ পিছত নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, ২০২৫ চনৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হ'বলগীয়া এই আঁচনিৰ জৰিয়তে প্ৰায় ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী উপকৃত হ'ব। তেওঁ কয় যে, ৰাষ্ট্ৰীয় পেঞ্চন নীতি অৰ্থাৎ এন পি এছৰ অধীনত থকা কৰ্মচাৰীসকলে এতিয়াৰে পৰা ইউ পি এছলৈ আহিব পাৰিব।

এই আঁচনি সন্দৰ্ভত উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল শৰ্মাই এইদৰে কয়।

**ৰাইট**

ooooo

জম্মু-কাশ্মীৰত হ'বলগীয়া আসন্ন নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় জনতা পাৰ্টিৰ শীৰ্ষ স্থানীয় নেতাসকলে কেন্দ্ৰীয়শাসিত অঞ্চলটোত ৮খন জনসমাৰেশত অংশগ্ৰহণ কৰিব। জম্মু-কাশ্মীৰৰ নিৰ্বাচনৰ দায়িত্বত থকা দলটোৰ নেতা ৰাম মাধৱ আৰু জি কিষাণ ৰেড্ডী আজি অঞ্চলটোত উপস্থিত হ'ব। উল্লেখযোগ্য যে জম্মু আৰু কাশ্মীৰত অহা ১৮, ২৫ ছেপ্তেম্বৰ তথা পহিলা অক্টোবৰত তিনিটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। ৪ অক্টোবৰত ভোটগণনা কৰা হ'ব। জম্মু-কাশ্মীৰ বিধানসভাৰ ৪০ৰ পৰা ৫০ খন আসনৰ তালিকা আজি প্ৰকাশ কৰাৰ সম্ভাৱনা আছে। ইয়াৰ পূৰ্বে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া

প্ৰাৰ্থীসকলৰ নাম চূড়ান্ত কৰাৰ বাবে কালি নতুন দিল্লীত বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচনী সমিতিৰ বৈঠক অনুষ্ঠিত হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহকে ধৰি কেইবাগৰাকী জ্যেষ্ঠ নেতা এই বৈঠকত উপস্থিত আছিল।

ooooo

সমগ্ৰ দেশতে আজি প্ৰভু শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালন কৰা হৈছে। এই উপলক্ষে ভক্তপ্ৰাণ ৰাইজে মন্দিৰত গৈ পূজা-অৰ্চনা কৰিছে। উত্তৰ প্ৰদেশৰ মথুৰা আৰু বৃন্দাবনত উলহ-মালহেৰে শ্ৰীকৃষ্ণৰ জন্মোৎসৱ আয়োজন কৰা হৈছে। প্ৰভু শ্ৰীকৃষ্ণৰ জন্মস্থান মথুৰাৰ বাঁকে বিহাৰী মন্দিৰ, প্ৰেম মন্দিৰ, ইস্কন মন্দিৰ আৰু শ্ৰীকৃষ্ণ জনমভূমি মন্দিৰকে ধৰি হাজাৰ হাজাৰ মন্দিৰ এই উপলক্ষে সুন্দৰভাৱে সজাই তোলা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি জন্মাষ্টমীৰ প্ৰাকক্ষণত দেশবাসী তথা প্ৰবাসী ভাৰতীয়সকললৈ শুভেচ্ছা জ্ঞাপন কৰে। এটা বাৰ্তাৰ জৰিয়তে ৰাষ্ট্ৰপতিয়ে কয় যে, এই উৎসৱে আমাক ভগৱান শ্ৰীকৃষ্ণৰ ঐশ্বৰিক আদৰ্শৰ প্ৰতি নিজকে সমৰ্পিত কৰাৰ বাবে উৎসাহিত কৰে। শ্ৰীমতী মুৰ্মুৱে শ্ৰীমদ্ভাগৱৎ গীতাত থকা শ্ৰীকৃষ্ণ আৰু অৰ্জুনৰ কথোপকথনক সমগ্ৰ মানৱ জাতিৰ বাবে উত্তৰণ আৰু প্ৰেৰণাৰ শাশ্বত উৎস বুলি আখ্যা দিয়ে। তেওঁ শ্ৰীকৃষ্ণৰ আদৰ্শেৰে পৰিচালিত হোৱাৰ লগতে দেশৰ সমৃদ্ধি তথা প্ৰগতিৰ বাবে কাম কৰাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

অসমৰ ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই জন্মাষ্টমী উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে কয় যে, জন্মাষ্টমী হৈছে ধৰ্ম, কৰ্ম আৰু সত্যৰ প্ৰতিমূৰ্তি শ্ৰীকৃষ্ণৰ জন্মদিন উদযাপন কৰা এটা উপলক্ষ্য। সেয়েহে ভগৱান শ্ৰীকৃষ্ণৰ পূজা অৰ্চনাই আমাক এই গুণসমূহৰ প্ৰতি নিজকে সমৰ্পিত কৰাৰ বাবে অনুপ্ৰাণিত কৰে আৰু আমাক সত্য পথত আগবাঢ়ি যাবলৈ পথ দেখুৱায়।

ooooo

বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী প্ৰফেচাৰ মহম্মদ ইউনুছে কৈছে যে, সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বিষয়টো হৈছে এটা ৰাজনৈতিক সিদ্ধান্ত আৰু এই অন্তৰ্বৰ্তীকালীন চৰকাৰখন কিমান দিনলৈ শাসনত থাকিব সেয়া বাংলাদেশৰ জনসাধাৰণে নিৰ্ধাৰণ কৰিব। বাংলাদেশ টেলিভিছনৰ জৰিয়তে দেশক সম্বোধন কৰি মহম্মদ ইউনুছে এইদৰে কয়। তেওঁ উল্লেখ কৰে যে দেশখনৰ প্ৰশাসন, ন্যায় পালিকা, নিৰ্বাচন আয়োগ, নিৰ্বাচন ব্যৱস্থা তথা আইন-কানুন ক্ষেত্ৰৰ প্ৰয়োজনীয় সংস্কাৰ সাধনৰ পাছতেই বাংলাদেশত নিকা, মুক্ত আৰু অংশগ্ৰহণমূলক নিৰ্বাচন অনুষ্ঠিত হ'ব। তেওঁ লগতে কয় যে, এই নিৰ্বাচনৰ মূল লক্ষ্য হৈছে দুৰ্নীতি, লুটপাত তথা গণহত্যাৰ বিৰুদ্ধে এটা জবাবদিহি ৰাজনৈতিক ব্যৱস্থা গঢ়ি তোলা।

আনহাতে বিদেশ পৰিক্ৰমা সন্দৰ্ভত মুৰব্বীগৰাকীয়ে কয় যে, তেওঁলোকে সকলো দেশৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক বজাই ৰাখিব। উমৈহতীয়া বিশ্বাস আৰু সহযোগিতা তেওঁলোকৰ বৈদেশিক নীতিৰ ভেটি হ'ব বুলিও তেওঁ উল্লেখ কৰে। ইপিনে ৰাষ্ট্ৰীয় সংহতিৰ বিষয়ে উল্লেখ কৰি প্ৰফেচাৰ ইউনুছে কয় যে, অন্তৰ্বৰ্তীকালীন চৰকাৰে সংস্কাৰ অনাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় ঐক্যৰ ক্ষেত্ৰত বিশ্বাস ৰাখে। তেওঁ কয় যে, ৰাজনৈতিক একতাৰ জৰিয়তে মহিলা, শিশু, দিব্যাংগ, ধৰ্মীয় সংখ্যালঘু আৰু থলুৱা লোকসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে তেওঁলোক সকলোৰে যে দেশৰ নাগৰিক আৰু আইন অনুসৰি সকলোৰে সমান সুৰক্ষা লাভ কৰাৰ অধিকাৰ আছে সেয়া নিশ্চিত কৰা হ'ব।

ইয়াৰ পূৰ্বে বাংলাদেশ নেচনেলিষ্ট পাৰ্টিৰ সাধাৰণ সচিব মিৰ্জা ফখৰুল ইছলাম আলমগিৰে ৰাজনৈতিক দলসমূহৰ সৈতে পৰামৰ্শৰ জৰিয়তে আৱশ্যকীয় সংস্কাৰ সাধনৰ পাছত দেশখনত অতি

সোনকালে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে অন্তৰ্বৰ্তীকালীন চৰকাৰক স্পষ্ট ৰূপৰেখা প্ৰস্তুত কৰিবলৈ আহ্বান জনাইছিল।

০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত আজি নিশা চাৰে ন বজাত নেত্ৰ দানৰ গুৰুত্ব সন্দৰ্ভত ডা০ ৰাম মনোহৰ লোহিয়া হাস্পতালৰ অফথেম'ল'জি বিভাগৰ মুখ্য চিকিৎসা বিষয়া ডা০ শিখা জৈনৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি এই সন্দৰ্ভত বিশেষজ্ঞ গৰাকীক প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে ৱাটছ্এপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০

২০২৪ চনৰ পেৰিছ্ পেৰা অলিম্পিক প্ৰতিযোগিতা অহা ২৮ আগষ্টৰ পৰা আৰম্ভ হ'ব। সেইদিনা হ'বলগীয়া উদ্বোধনী অনুষ্ঠানৰ পাছতে এই ১১ দিনীয়া ক্ৰীড়া প্ৰতিযোগিতাৰ আৰম্ভ হ'ব। অহা ৮ ছেপ্তেম্বৰত প্ৰতিযোগিতাৰ সামৰণি পৰিব। এইবাৰ প্ৰতিযোগিতাত দেশৰ এতিয়ালৈকে সৰ্ববৃহৎ ৮৪ জনীয়া দলে ভাগ ল'ব। ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত দেশবাসীক পেৰা অলিম্পিকত অংশগ্ৰহণ কৰা ভাৰতীয় খেলুৱৈসকলক CHEER 4BHARAT শ্ল'গানেৰে উৎসাহিত কৰাৰ বাবে আহ্বান জনাইছে।

০০০০০

ইউ এছ্ অপেন টেনিছ্ প্ৰতিযোগিতা ২০২৪ আজি নিউয়ৰ্কত আৰম্ভ হ'ব। এইবাৰৰ প্ৰতিযোগিতাত সুমিত নাগল আৰু ৰোহন বোপন্নাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিব। সুমিত নাগল ২০১৯ চনৰ পাছৰ পৰা চাৰিওখন গ্ৰেণ্ডশ্লাম প্ৰতিযোগিতাৰ একক শাখাত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ হিচাপে বিবেচিত হ'ব। বিশ্ব টেনিছ্ ৰেংকিঙৰ ৫২ সংখ্যক স্থানত থকা সুমিত নাগল এইবছৰ ফ্ৰেন্স অপেন আৰু উইম্বলডন চেম্পিয়নশ্বিপ প্ৰথম ৰাউণ্ডৰ পৰা বাহিৰ হোৱাৰ পূৰ্বে অষ্ট্ৰেলিয়ান অপেনত দ্বিতীয় ৰাউণ্ডলৈ উন্নীত হৈছিল। আনহাতে দুবাৰকৈ গ্ৰেণ্ডশ্লাম চেম্পিয়ন হোৱা ৰোহন বোপন্না আৰু তেওঁৰ অষ্ট্ৰেলিয়াৰ সহযোগী মেথিউ ইবডিন স্পেইনৰ মাৰ্ছেল গ্ৰাণোলাৰ্ছ আৰু আৰ্জেণ্টিনাৰ হ'ৰাচীঅ' জেবাল'ছৰ পাছত পুৰুষৰ ডাবলছত দ্বিতীয় স্থানত আছে।

০০০০০

সমাপ্ত